No. of Printed Pages—2

43 (ASS)

[18–HRGPKAC–M1S (B)]

MA 1st Semester Exam., 2018 (Back)

ASSAMESE

[MAS 04]

(অসমীয়া সংস্কৃতি)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ চমু উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) 'কিৰাত' শব্দটোৱে কাক বুজায়? এওঁলোকৰ প্ৰথম উল্লেখ ক'ত পোৱা যায়, লিখক।

(b) ৰিচার্ড এম. ডৰচনে বিভাজন কৰি দেখুউৱা লোকসংস্কৃতিৰ চাৰিটা অধ্যয়নক্ষেত্ৰ কি কি, উল্লেখ কৰক।

(c) বামাচাৰী পূজা বুলিলে কি বুজে? ব্যাখ্যা কৰক।

(d) প্ৰকৃতি অনুসৰি সত্ৰসমূহক কি কি ভাগত ভাগ কৰা হৈছে? প্ৰতিটো ভাগৰ অতি চমু পৰিচয় আগবঢ়াওক।

(e) অসমীয়া পুথিচিত্ৰৰ প্ৰাচীনতম নিদৰ্শন বুলি ঠাৱৰ কৰা পুথিখনৰ পৰিচয় দাঙি ধৰক।

(f) ভাৰতবৰ্ষত কোন কোন দেৱ-দেৱীৰ নামত মন্দিৰ নিৰ্মাণ কৰা হৈছিল, চমুকৈ লিখক।

2. তলৰ যি কোনো **তিনিটাৰ** টোকা লিখক (প্ৰতিটো ১৫০ শব্দৰ ভিতৰত) : 4×3=12

(a) ফকৰা-যোজনা

(b) কালিকা পুৰাণ

(c) খুলীয়া ভাউৰীয়া

(d) অক্ষয়বন্তি

3. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) অসমৰ জন-গাঁথনি সম্পৰ্কে এটি বিশ্লেষণ দাঙি ধৰক।

(b) 'অসমৰ শাক্ত ধৰ্মৰ পৰম্পৰা' এই শিতানত এটি আলচ দাঙি ধৰক।

(c) অসমৰ সত্ৰসমূহত উদ্‌যাপন কৰা উৎসৱ-পাৰ্বণবোৰৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

(d) 'কুশান গান' আৰু 'ভাবীগান'ৰ পৰিৱেশন পদ্ধতি সম্পৰ্কে চমুকৈ আলোচনা কৰক।

4. তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০০ শব্দৰ ভিতৰত) : 10×4=40

(a) সংস্কৃতিৰ এটি গ্ৰহণযোগ্য সংজ্ঞা আগবঢ়াওক। সংস্কৃতিক কি কি ভাগত ভগাব পাৰি? সংস্কৃতিৰ বৈশিষ্ট্যকেইটামান উল্লেখ কৰি বিশ্লেষণ কৰক।

(b) লোক-পৰিৱেশ্য বুলিলে কি বুজে? অসমৰ লোক-পৰিৱেশ্য কলাসমূহৰ ভিতৰত যি কোনো দুবিধৰ বিষয়ে একোটিকৈ টোকা লিখক।

(c) অসমৰ জাতীয় জীৱনলৈ সত্ৰীৱা সংস্কৃতিৰ অৱদান সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

(d) আহোম যুগৰ ভাস্কৰ্যশৈলী সম্পৰ্কে এটি আলচ দাঙি ধৰক।

(e) অসমীয়া লোকসংগীতৰ পৰম্পৰা, ঐতিহ্য আৰু তাৎপৰ্যৰাজি বিশ্লেষণ কৰি দেখুৱাওক।

★ ★ ★